## বৈজ্ঞানিক শ্ৰেণী বিভাজন

| | | |
|---|---|---|
| জগৎ | - | প্লেনটেই (Plantae) |
| (অশ্ৰেণী ভুক্ত) | - | এনগিওস্পাৰ্মছ (Angiosperms) |
| (অশ্ৰেণী ভুক্ত ) | - | ইউডিৰোটচ্ (Eudicots) |
| (অশ্ৰেণীভুক্ত) | - | এছটেৰিডচ্ (Asterids) |
| ক্ৰম | - | লেমিয়েলেচ্ (Lamiales) |
| বংশ পৰিয়াল | - | লেমিয়েচিয়ে (Lamiaceae) |
| উপ বংশ | - | নেপটোওইডিয়ে (Nepetoideae) |
| বংশ | - | মেনথিয়েই (Mentheae) |
| জাতি | - | ছেলভিয়া (Salvia) |



## ছেলভিয়াৰ ঃ

ছেলভিয়া এবিধ ডাঙৰ প্ৰজাতিৰ ফুল ফুলা গছ। ই প্ৰায় ১০০০ প্ৰজাতিৰ বাৰমহীয়া চুটি জোপোহা ঘাঁহ জাতীয় উদ্ভিদ। ছেলভিয়া জাতিটো মেনথিয়েই বংশৰ আৰু ইয়াৰ উপ বংশ হ'ল নেপটোতইডিয়ে। এই প্ৰজাতিটো প্ৰধানকৈ তিনিটা ভাগত বিভক্ত। ভাগকেইটা হ'ল - মধ্য আৰু দক্ষিণ আমেৰিকাৰ লগতে মধ্য এছিয়া।

## ছেলভিয়াৰ বিভিন্ন প্ৰকাৰ ঃ

ছেলভিয়া ফুলৰ জাতটোত সাধাৰণতে ৰহা, বগা আৰু কজলা বৰণৰ ফুল পোৱা যায়। কিন্তু বগা ৰঙৰ বিশেষ Farinacea and (আৰু) Lencanha ফুল দুবিধৰ পৰা নীলা আৰু উজ্জল বেঙুনীয়া ৰঙৰ ফুল পোৱা যায়।

## ছেলভিয়াৰ বাবে মাটি ঃ

উপযুক্ত নলী-নাদ থকা সকলো মাটি ছেলভিয়াৰ বাবে উপযুক্ত। ইয়াৰ পুলিবিলাকৰ ৪টা মান পাত গজাৰ পিছত উপযুক্ত স্থানত ৰুব লাগে। ইয়াৰ বিভিন্নতাৰ ওপৰত ইয়াৰ ব্যৱধান ২০-৬০ ছেঃ মিঃ হ'ব লাগে।

## জৈৱ আৰু ৰাসায়নিক সাৰৰ প্ৰয়োগ ঃ

বেছি সাৰুৱা মাটিত কম পৰিমাণে জৈৱ সাৰ প্ৰয়োগ কৰিব পাৰি আৰু কম সাৰুৱা মাটিত মধ্যমীয়া ধৰণত ৰাসায়নিক সাৰ প্ৰয়োগ কৰিব পাৰি।

## ছেলভিয়াৰ লালন-পালন ঃ

বেছি সাৰুৱা মাটিত গছডালক খুটি পুতি আশ্ৰয় কৰি দিব লাগে কাৰণে ফুল ফুলাৰ সময়ত ওজন বৃদ্ধি হৈ গছডাল মাটিত পৰি যাব পাৰে। লেৰেলা পৰা ফুলৰ ঠাৰিবিলাক আঁতৰাই পেলাব লাগে। গছডাল লেহুকা বা দূৰ্বল হৈ গ'লে গছডালক FYM ৰ দ্বাৰা Liquid feeding বা Top dressing কৰিব লাগে।

## ছেলভিয়াৰ বৰ্ণনা ঃ

ছেলভিয়া প্ৰজাতিটো বছৰেকীয়া, দ্বিবছৰেকীয়া আৰু বাৰমহীয়া ঘাঁহ জাতীয় উদ্ভিদ। ছেলভিয়াৰ ঠা-ঠেঙুলিবিলাক ভাঁজ ধৰা ইয়াৰ উপ বংশবিলাকৰ দৰে। ইয়াৰ পাতবিলাকত খাজ খাজ থকাৰ দৰে ভাপ থাকে। ছেলভিয়াৰ ফুল ফুলা ডালবিলাকত সৰু সৰু পাত থাকে। ছেলভিয়াৰ কিছুমান প্ৰজাতিত সৰু সৰু পাতবিলাক অলংকাৰৰ দৰে দেখনিয়াৰ। ছেলভিয়াৰ ফুলবিলাক থোপা থুপি। সাধাৰণতে ফুলৰ ৰঙৰ বৰণটো নীলা, ৰঙা, য'ত বগা, হালধীয়া কমকৈ পোৱা যায়। ফুলৰ চুপহিবিলাক সাধাৰণতে ঘণ্টাৰ দৰে দুটা ভাগত বিভক্ত হৈ থাকে।



ছেলভিয়াৰ ফুলৰ ভিতৰৰ খোলটো হাঁতোৰাৰ দৰে আৰু দুটা ওঁঠযুক্ত। ওপৰৰ ওঁঠযুক্তখিনি তিনিটা দাঁতৰ দৰে। তলৰ ওঁঠযুক্তখিনি দুই ধৰণৰ কাণৰ লতিৰ দৰে। ফুলৰ ধৰণটো দুটা ফুটা যুক্ত। ফুলৰ গুটিবিলাক কণীৰ দৰে নৰম আৰু দীঘল বাকলি থকা লগতে বহুতো প্ৰজাতিত আঠাযুক্ত প্ৰলেপ থাকে। বহুত ছেলভিয়াৰ পাত, ডাল আৰু ফুলত চুলিসদৃশ কিছুমান বস্তু বৃদ্ধি পায়। যিটোৱে ইয়াৰ পানী ধাৰণ ক্ষমতা বঢ়াই ৰাখে। কেতিয়াবা এই চুলিবিলাক গৈ টেমুনাসদৃশ হয়। ইয়াৰ পৰা মনে মনে ধোৱাৰ দৰে তেল বিয়পি পৰি সুগন্ধি বিয়পায়। যেতিয়া এই চুলিবিলাক ঘহি দিয়া হয় তেতিয়া তেল ওলোৱা কোষবিলাক ফাটি যায় আৰু তেল ওলায়। এইটো প্ৰক্ৰিয়াৰ ফলত ছেলভিয়াই নিজে নিজক বহুতো জন্তু বা পোক-পৰুৱাৰ পৰা ৰক্ষণাবেক্ষণ দিয়ে।

মতা মৌ-মাখিয়ে ছেলভিয়া ফুলৰ পৰাগযোগ ঘটায়। পৰাগযোগ ঘটাবলৈ ছেলভিয়াৰ আটাইতকৈ উপযুক্ত প্ৰক্ৰিয়াটো হ'ল লিভাৰ কৌশল। এই কৌশলৰ দ্বাৰা ছেলভিয়াৰ উৎপাদন বৃদ্ধি কৰিব পাৰি। কিন্তু এই কৌশল সঠিকভাৱে উপযুক্ত সময়ত হ'ব লাগিব।

## ছেলভিয়াৰ বুৰঞ্জী ঃ

জৰ্জ বেনথাম আছিল ছেলভিয়া প্ৰজাতিৰ প্ৰথম উদ্ভাৱক। তেওঁ যিবিলাক প্ৰজাতি উদ্ভাৱন কৰিছিল প্ৰায়বিলাক আছিল ছেলভিয়া প্ৰজাতিৰ। সেই সময়ত প্ৰায় ২৯১ বিধ ছেলভিয়াৰ প্ৰজাতি আছিল। বেনথামে ছেলভিয়াক প্ৰায় ১২টা ভাগত ভাগ কৰিছিল ইয়াৰ ফুলৰ ভিতৰৰ খোলৰ ওপৰত নিৰ্ভৰ কৰি, ফুলৰ চুপহিৰ ওপৰত আৰু ফুলৰ পুংকেশৰৰ ওপৰত নিৰ্ভৰ কৰি।

বহুতো প্ৰাধান্যযুক্ত হাইব্ৰীডবিলাক প্ৰাকৃতিকভাৱে হোৱা আৰু বহুতো হাইব্ৰীড মানুহে সৃষ্টি কৰা।

## সামৰণি ঃ

ছেলভিয়া নামটো লেটিন শব্দৰ পৰা অহা। লেটিন শব্দ ছেলভেৰে যাৰ অৰ্থ হ'ল ভাল আৰু সুখী অনুভৱ কৰা। ৰোমৰ প্লাইনী দা এলডাৰ হ'ল প্ৰথম লিখক যিজনে ছেলভিয়া নামটো নামকৰণ কৰিছিল, যিটো আছিল এবিধ গছৰ নাম ছেলভিয়া।





উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়ৰ
দ্বাৰা প্ৰকাশিত
খানাপাৰা, গুৱাহাটী-২২



# ছেলভিয়া

# *Salvia*

